**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-02-2026 **Time :** 1205 Hrs

***Assamese Midday Bulletin***
***Headlines***
***00000***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰীক্ষা পে চৰ্চাৰ দ্বিতীয় খণ্ডত ৰাজ্যৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময়।

২। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত টিংখাং বিধানসভা সমষ্টিত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ।

৩। ২০২৬-২৭ বৰ্ষৰ বাজেট সন্দৰ্ভত ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সংবাদমেল।

আৰু

৪। শ্ৰীভূমি জিলাৰ পাথাৰকান্দিৰ দখলীকৃত ভূমিত প্ৰশাসন আৰু বন বিভাগৰ উচ্ছেদ অভিযান অব্যাহত।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পৰীক্ষা পে চৰ্চাৰ দ্বিতীয় খণ্ডত ৰাজ্যৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰিছে। সমাগত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি পৰীক্ষাৰ সময়ৰ মানসিক চাপ, পৰীক্ষাৰ প্ৰস্তুতি, সময় ব্যৱস্থাপনা আদি সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ আগবঢ়ায়। পৰীক্ষা পে চৰ্চাৰ যোৱা ৬ ফেব্ৰুৱাৰীত প্ৰচাৰিত প্ৰথমটো খণ্ডত প্ৰধানমন্ত্ৰী মোদীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে।

ooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ ঘুটুংছিগা চাৰিআলিত আয়োজিত অনুষ্ঠানত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰিছে। এই অভিযানৰ জৰিয়তে সাধাৰণ শাখাত সাহায্যপ্ৰাপ্ত প্ৰতিগৰাকী ব্যক্তিলৈ ২ লাখ টকাকৈ, বৃত্তিগত শাখাত বাছনিপ্ৰাপ্তসকললৈ ৫ লাখ টকাকৈ ৫০ শতাংশ অনুদান আৰু ৫০ শতাংশ নগদবিহীন ঋণ আগবঢ়োৱা হ'ব। মুখ্যমন্ত্ৰীয়ে টিংখাং সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰিব।

ৰাজ্যৰ চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰথমটো আনুষ্ঠানিক কাৰ্যসূচী মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি চাবুৱাত আৰম্ভ কৰিব। দিনজয় চাহ বাগিচাৰ খেল পথাৰত হ'বলগীয়া এই কাৰ্যসূচীত ড° শৰ্মাই প্ৰস্তাৱিত ভূমি বন্দোৱস্তিৰ প্ৰ-পত্ৰসমূহ বিতৰণ কৰিব। এই বন্দোৱস্তি অনুযায়ী শ্ৰমিকৰ আবাসিক এলেকাত বসবাস কৰা চাহ জনগোষ্ঠীৰ শ্ৰমিক পৰিয়ালসমূহক এই প্ৰ-পত্ৰ প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে এই পৰিয়ালসমূহে আধুনিক জৰীপ মানচিত্ৰৰ জৰিয়তে ভূমিৰ অধিকাৰ লাভ কৰিব। ইয়াৰ লগতে গৃহ নিৰ্মাণ আৰু প্ৰয়োজনীয় বেংক ঋণ, শিক্ষা আৰু কল্যাণমূলক আঁচনিসমূহৰ সুবিধাও লাভ কৰিব। এই অধিকাৰ ডিজিটেলী নথিভুক্ত স্থায়ী ভূমি অধিকাৰ হ'ব বুলি ৰাজ্য চৰকাৰে ইতিমধ্যে সদৰি কৰিছে। ৮২৬ খন চাহ বাগিচা সামৰি লোৱা এই পদক্ষেপৰ অন্তৰ্ভুক্ত শ্ৰমিক পৰিয়ালসমূহক সংশ্লিষ্ট ৰাজহ চক্ৰ

বিষয়াৰ কাৰ্যালয় অথবা নিৰ্ধাৰিত কেন্দ্ৰৰ পৰা অফলাইন প্ৰ-পত্ৰ সংগ্ৰহ কৰিবলৈ ৰাজ্য চৰকাৰে অনুৰোধ জনাইছে।

0000000

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে দলাইগাঁৱৰ উত্তৰ বঙাইগাঁও মিনি ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস উপস্থিত থাকিব। বঙাইগাঁও জিলাৰ এহেজাৰ ৭৬৭ গৰাকী, ধুবুৰীৰ দুহেজাৰ ৯৪৯ গৰাকী, গোৱলপাৰাৰ দুহেজাৰ ৩৫২ গৰাকী আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৩০৫ গৰাকী উদ্যোগী ব্যক্তিলৈ এই আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত সাধাৰণ শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ দুই লাখ টকাকৈ আৰু বৃত্তিগত শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ পাঁচ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব।

00000000

বিটিচিৰ সৰ্বাংগীন উন্নয়নৰ পুনৰ প্ৰতিশ্ৰুতিৰে কাইলৈ ২৪ সংখ্যক বড়োলেণ্ড দিৱস উদযাপন কৰা হ'ব। এই উপলক্ষে কোকৰাঝাৰৰ বডোফা নগৰৰ গ্ৰীণ ফীল্ডত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত বৰুৱা উপস্থিত থাকিব। বড়োলেণ্ড দিৱসৰ পৰিপ্ৰেক্ষিতত কাইলৈ বিটিচিত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। বিটিচিৰ সচিবে জাৰি কৰা নিৰ্দেশ অনুসৰি কাইলৈ বিটিচিৰ সকলোবোৰ চৰকাৰী কাৰ্যালয়ৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ বন্ধ থাকিব।

00000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দেক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই অসম আৰু মহাৰাষ্ট্ৰৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক উন্নত কৰা সন্দৰ্ভত আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰী সিন্দেক তেওঁৰ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে।

0000000

২০২৬-২৭ বৰ্ষৰ বাজেটত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি আৰু সৰ্বাত্মক উন্নয়নৰ বাবে ২ লাখ কোটি টকাৰ অনুমোদন দিয়া হৈছে। উন্নয়নৰ কেইবাটাও ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি বিভিন্ন শিতানত ধনৰ আবণ্টন দিয়া হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে।

বাইট

00000000

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সমষ্টিৰ অন্তৰ্গত দোহালিয়া আৰু বাদশ্বাহী সংৰক্ষিত বনাঞ্চলৰ অবৈধভাৱে দখলীকৃত ভূমিত আজিও প্ৰশাসন আৰু বন বিভাগৰ উচ্ছেদ অভিযান অব্যাহত আছে। আমাৰ সংবাদদাতাই জনোৱা মতে বনাঞ্চলৰ প্ৰায় এহেজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্যৰে এই অভিযান চলোৱা হৈছে। অঞ্চলটোত বসবাস কৰা ৯৯৫ টা পৰিয়াললৈ ইতিপূৰ্বে জাননী জাৰি কৰা হৈছিল। জাননী লাভ কৰাৰ পাছতে

অধিকাংশ লোকে স্বেচ্ছাই সেই স্থান পৰিত্যাগ কৰে। বাকী থকা পৰিয়ালসমূহ উচ্ছেদ কৰাৰ বাবে অভিযান চলোৱা হৈছে। তিনি দিনৰ ভিতৰত উচ্ছেদ অভিযান সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি জিলা প্ৰশাসনে জনাইছে। এই সন্দৰ্ভত সবিশেষ জনাইছে শ্ৰীভূমিৰ পৰা আমাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে।

বাইট

00000000

কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে ৫২ সংখ্যক কাৰ্বি যুৱ মহোৎসৱৰ আয়োজন কৰা হৈছে। কাৰ্বি লোকনৃত্য গীত, সাজপাৰ আৰু পৰম্পৰাগত খেল-ধেমালিৰ সংৰক্ষণ, সংবৰ্ধন আৰু প্ৰসাৰৰ বাবে কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত এই যুৱ মহোৎসৱৰ আয়োজন কৰি অহা হৈছে। যুৱ মহোৎসৱৰ প্ৰস্তুতি সন্দৰ্ভত কালি এখন সংবাদ মেলত কাৰ্বি সাংস্কৃতিক সমাজৰ সভাপতি হোমচিং বে' আৰু সম্পাদক সুনীল টকবীয়ে সবিশেষ প্ৰকাশ কৰে। এইবাৰ কাৰ্বি যুৱ মহোৎসৱত খিলঞ্জীয়া ৰন্ধনশৈলী, খাদ্যসম্ভাৰ, বাঁহ-বেতৰ শিল্পৰ প্ৰদৰ্শনী আদিৰ আয়োজন কৰা হৈছে বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে জিলাখনৰ কাৰ্বি সাংস্কৃতিক সমাজৰ মাণ্ডলিক সমিতিৰ উপৰি অৰুণাচল প্ৰদেশ, মেঘালয় তথা অসমৰ ডিমা হাছাও, নগাঁও, হোজাই আৰু বিশ্বনাথ জিলাৰ মাণ্ডলিক সমিতিৰ যুৱক-যুৱতীসকলে এই মহোৎসৱত অংশ ল'ব।

0000000

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত স্কটলেণ্ড ইটালীৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ইটালীয়ে টচত জিকি বলিঙৰ সিদ্ধান্ত লয়। স্কটলেণ্ডে প্ৰথমে বেট ধৰি বাতৰি যুগুতোৱাৰ পৰলৈ ১১ অ'ভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৯৩ ৰান সংগ্ৰহ কৰিছে।

বিয়লি তিনি বজাত কলম্বোত হ'বলগীয়া আন এখন খেলত জিম্বাবুৱে আৰু ওমান মুখামুখি হ'ব। সন্ধিয়া সাত বজাত আহমেদাবাদত হ'বলগীয়া তৃতীয়খন খেলত দক্ষিণ আফ্ৰিকাই কানাডাৰ বিৰুদ্ধে খেলিব।

প্ৰতিযোগিতাত যোৱা নিশা কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত শ্ৰীলংকাই আয়াৰলেণ্ডক ২০ ৰাণত পৰাস্ত কৰে। শ্ৰীলংকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৬ উইকেটৰ বিনিময়ত ১৬৩ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আয়াৰলেণ্ডে ১৯ অভাৰ পাঁচটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৩ ৰান কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ চিৰ এখন খেলত ইংলেণ্ডে নেপালক চাৰি ৰানত পৰাস্ত কৰে। ইংলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অ'ভাৰত সাত উইকেটৰ বিনিময়ত ১৮৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নেপালে নিৰ্ধাৰিত অভাৰত ছয় উইকেটৰ বিনিময়ত ১৮০ ৰান কৰিবলৈ সমৰ্থ হয়। চেন্নাইত অনুষ্ঠিত গ্ৰুপ-ডিৰ আন এখন খেলত কালি নিউজিলেণ্ডে আফগানিস্তানক ৫উইকেটত পৰাস্ত কৰে।

00000000

বোকাখাত নিবাসী সদৌ অসম মইনা পাৰিজাতৰ প্ৰাক্তন উপ-সভাপতি সুৰেন্দ্ৰ নাথ গগৈৰ আজি পুৱতি নিশা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৬ বছৰ।

00000000

সমাপ্ত